# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## MA 3rd Sem. Examination, 2014

বিষয় ঃ অসমীয়া কাকত ঃ একাদশ

(সাহিত্য)

পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ

সময় ঃ তিনি ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) উইলিয়াম ৱৰ্ডছৱৰ্থৰ কবিতাৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰি তাৰ চমু আলোচনা আগবঢ়াওক।

(খ) প্ৰকৃতিৰ বিভিন্ন উপাদানত কীটছে প্ৰত্যক্ষ কৰা সৌন্দৰ্যৰ প্ৰকৃতি কেনেকুৱা *Ode on a Gracian Urn* কবিতাটোৰ আলমত বিচাৰ কৰক।

(গ) ৰবাৰ্ট ব্ৰাউনিঙৰ কাব্য শৈলী সম্পৰ্কে চমুকৈ লিখক।

(ঘ) ইংৰাজী সাহিত্যৰ ইতিহাসত ভিক্টৰীয় যুগৰ গুৰুত্ব কি?

(ঙ) কবি টি. এছ. এলিয়টৰ বিখ্যাত কৰ্মৰাজিৰ চমু পৰিচয় আগবঢ়াওক।

(চ) *The Love Song of J. Alfred Prufrock* কবিতাটোত আধুনিক মানৱ জীৱনৰ প্ৰতিচ্ছবি কিদৰে ফুটি উঠিছে লিখক।

(ছ) এলবাৰ্ট ক্যেমুৰ চমু পৰিচয় দাঙি ধৰক।

(জ) *The Old Man and the Sea* উপন্যাসত ব্যৱহাৰ কৰা প্ৰতীক সম্বন্ধে লিখক।

(ঝ) বাস্তৱবাদী নাটকৰ লক্ষণ কেইটা উল্লেখ কৰক।

(ঞ) *Waiting for Godot* কোন শ্ৰেণীৰ নাটক? এই শ্ৰেণীৰ নাটকৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

২. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক ৪×৩ = ১২

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) উইলিয়াম ৱৰ্ডছৱৰ্থৰ জীৱন আৰু কৃতিৰ চমু পৰিচয় আগবঢ়াওক।

(খ) *The Love Song of J. Alfred Prufrock* ত কবি টি. এছ. এলিয়টে আধুনিক মানুহৰ মনৰ শংকা আৰু হতাশাবোধ কিদৰে ফুটাই তুলিছে লিখক।

(গ) 'দ্য আউটছাইডাৰ' উপন্যাসত ব্যৱহৃত প্ৰতীক আৰু প্ৰসংগৰ বিষয়ে চমু আলোচনা আগবঢ়াওক।

(ঘ) *The Old Man and the Sea* উপন্যাসখনৰ নায়ক কোন? নাটক চৰিত্ৰটোৰ এটা চমু পৰিচয় আগবঢ়াওক।



(ঙ) ছেমুৱেল বেকেটৰ নাট্য ৰীতি সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

(চ) *Waiting for Godot* নাটকত ব্যৱহৃত প্ৰতীক আৰু চিত্ৰকল্পৰ বিষয়ে চমুকৈ লিখক।

৩. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক ৬×৩ = ১৮

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) কি কাৰণে *Tintern Abbey* ক কবি ৱৰ্ডছৱৰ্থৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ কাব্য কৃতি বুলি কোৱা হয়? আলোচনা কৰক।

(খ) ইবচেনৰ *Pillars of Society* নাটকৰ কাহিনীভাগ নিজৰ ভাষাত লিখক।

(গ) অস্তিত্ববাদী উপন্যাস হিচাপে *The Outsider* ৰ এটা আলোচনা আগবঢ়াওক।

(ঘ) *A Grammarian's Funeral* কবিতাটোৰ আধাৰত কবি ৰবাৰ্ট ব্ৰাউনিঙৰ জীৱন দৰ্শন বিচাৰ কৰক।

(ঙ) *A Grammarian's Funeral* কবিতাটোৰ বিষয়বস্তু আলোচনা কৰি এটা সাধাৰণ বিশ্লেষণ আগবঢ়াওক।

৪. তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক ১০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) উইলিয়াম ৱৰ্ডছৱৰ্থৰ কবিতাৰাজি মানৱীয় অনুভূতিৰে সিক্ত— উদাহৰণসহ ব্যাখ্যা কৰক।

(খ) *Ode on a Gracian Urn* কবিতাটোৰ বিষয়বস্তু আলোচনা কৰি কীটছৰ জীৱন দৰ্শন সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

(গ) The Love Song of J. Alfred Prufrock কবিতাটোৰ এটা বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

(ঘ) ইংৰাজী কবিতাত নাটকীয় একোক্তিৰ প্ৰয়োগ জনপ্ৰিয় কৰি তোলাত ৰবাৰ্ট ব্ৰাউনিঙৰ ভূমিকা আলোচনা কৰক।

(ঙ) *The Outsider* উপন্যাসখনৰ গঠন-ৰীতি আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰক।

(চ) *The Old Man and the Sea* উপন্যাসখনত ঔপন্যাসিকৰ জীৱন দৰ্শন কেনেকৈ প্ৰতিফলিত হৈছে সেই সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

(ছ) *Pillars of Society* ৰ উল্লেখযোগ্য নাৰী চৰিত্ৰ এটাৰ সম্পৰ্কে আলোচনা কৰক।

(জ) এবছাৰ্ড নাটক হিচাপে *Waiting for Godot* নাটকখনৰ চৰিত্ৰকেইটাৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।